**নিশিনাথ চাংকাকতি প্ৰয়াত**

ই-সংবাদ, ২৪ নৱেম্বৰঃ ১৯৮৮ চনৰ পৰা ১৯৯২ চনলৈ অসম আৰক্ষীৰ সঞ্চালক ২ পৃষ্ঠাত চাওক



www.newsnextone.com

# e সংবাদ



Sacn to Donate
NEWSNEXTONE.COM



MONDAY, NOVEMBER 25, 2024 ■ সোমবাৰ, ৯ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২২ Guwahati, Assam ।। মূল্যঃ এটকা


**ভতিজাক সাগৰলৈকো চমন জাৰি ■ আমেৰিকাৰ পৰা আহি পালে চিঠি**

# উত্তৰ দিবলৈ আদানিক মাৰ্কিন আদালতে দিলে ২১ দিন

■ আমেৰিকাৰ আদালতত আইনী যুঁজ চলাবলৈ সাজু আদানি ■ নামী-দামী অধিবক্তাৰে চলিছে সঘন আলোচনা



নতুন দিল্লী, ২৪ নৱেম্বৰঃ বিতৰ্কই লগ নেৰা ভাৰতৰ ধনকুবেৰ গৌতম আদানি আৰু ভতিজা সাগৰ আদানিলৈ চমন জাৰি কৰিছে নিউয়ৰ্কৰ এখন বিশেষ শেষাংশ ২ পৃষ্ঠাত



বাজপেয়ী ভৱনত বিজেপিৰ সম্বৰ্ধনা অনুষ্ঠান

ৰাষ্ট্ৰীয় ৰাজনীতিত ব্যৰ্থতা

## ‘ভস্মাসুৰ’ত পৰিণত অসমৰ কোন নেতা?

**ই-সংবাদ বিশেষ, ২৪ নৱেম্বৰঃ** ভস্মাসুৰৰ কাহিনীৰ পুনৰাবৃত্তি ঘটিছে নেকি ভাৰতত! ভস্মাসুৰে য'তেই হাত দিয়ে সেয়াই ধ্বংস হৈ যোৱাৰ শেষাংশ ৫ পৃষ্ঠাত

## হিমন্তক ৰুধিবলৈ অচিৰেই অসমলৈ আহিব হেমন্ত ছোৰেন, উজনিত চাবলৈ যাব বাগান

**ই-সংবাদ বিশেষ, ২৪ নৱেম্বৰঃ** ঝাৰখণ্ডত শেনটোৰ দৰে গৈ ফেঁচাৰ দৰে ঘূৰি অহা হিমন্ত বিশ্ব শৰ্মাক ২০২৬ত এসেকা দিবৰ বাবে ঝাৰখণ্ড মুক্তি শেষাংশ ৪ পৃষ্ঠাত



## ২৮ নৱেম্বৰত ছোৰেনৰ শপত


**ৰাঁচী, ২৪ নৱেম্বৰঃ** ঝাৰখণ্ড বিধানসভা নিৰ্বাচনত নিৰ্ণায়ক বিজয়ৰ পিছত দ্বিতীয়বাৰৰ বাবে ৰাজ্যখনৰ শেষাংশ ৫ পৃষ্ঠাত

## মণ্ডলদৈত ভয়ংকৰ কাণ্ড!

**ই-সংবাদ, ২৪ নৱেম্বৰঃ** নগাঁৱৰ গড়াজানত একপক্ষীয় প্ৰেমৰ বাবে অনুপম শেষাংশ ৫ পৃষ্ঠাত

তুমুল সংঘৰ্ষত নিহত ৩জন

## মছজিদৰ জৰীপক লৈ উত্তপ্ত যোগীৰাজ্য



**লক্ষ্ণৌ, ২৪ নৱেম্বৰঃ** আদালতৰ নিৰ্দেশমৰ্মে মোগল যুগৰ এটা জামা মছজিদৰ জৰীপ চলোৱাৰ সময়তে স্থানীয় ৰাইজ আৰু শেষাংশ ৩ পৃষ্ঠাত

## আজিৰে পৰা সংসদৰ শীতকালীন অধিৱেশন আৰম্ভ

সাজু হৈছে শাসক-বিৰোধী

**নতুন দিল্লী, ২৪ নৱেম্বৰঃ** সোমবাৰৰ পৰা আৰম্ভ হ'ব সংসদৰ শীতকালীন অধিৱেশন। এই অধিৱেশনক কেন্দ্ৰ কৰি ইতিমধ্যে চৰকাৰক জবাবদিহি কৰিবলৈ নিজকে শেষাংশ ২ পৃষ্ঠাত

দুৰ্ঘটনাত ৩ জন নিহত

## গুগল মেপৰ নিৰ্দেশনা চাওঁতে ঘটিল অঘটন

**বৰেলী, ২৪ নৱেম্বৰঃ** জিপিএছত চাই চাই গাড়ী চলাই গৈ থাকোতেই বানে ভাঙি থৈ যোৱা দলঙৰ শেষাংশ ৪ পৃষ্ঠাত

## উপ-নিৰ্বাচনৰ বাবেই বিসম্বাদ আম আদমীত

বিশ্বনাথত নেতাক অপসাৰণ

**ই-সংবাদ, ২৪ নৱেম্বৰঃ** উপ-নিৰ্বাচনত বিহালী আৰু চামগুৰিত শেষাংশ ৩ পৃষ্ঠাত

**লাচিতক হিন্দু বীৰ নসজাবলৈ সকীয়ালে শৃংখলে**

## জন্মস্থান শুকতি আলিত মহাবীৰ লাচিতক শ্ৰদ্ধাৰে স্মৰণ

**ই-সংবাদ, শিৱসাগৰ, ২৪ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যত আজি বিভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয় লাচিত শেষাংশ ৬ পৃষ্ঠাত



## আইপিএলৰ নিলাম, প্ৰথম দিনা উৰিল ৪৬৭ কোটি




**ডুবাই, ২৪ নৱেম্বৰঃ** ছৌদি আৰবৰ জিদ্দাত অনুষ্ঠিত আইপিএলৰ নিলামৰ প্ৰথম দিনাই কোটি কোটি টকাত বিক্ৰী হ'ল ক্ৰিকেটাৰ। টি-২০ ক্ৰিকেটৰ অন্যতম মহাৰণত পৰিগণিত হোৱা মেগা টুৰ্ণামেণ্ট খনৰ ১০টা ফ্ৰেঞ্চাইজি দল গঠনৰ যুঁজত প্ৰথম দিনাই নিলামত উঠে ৮৪ গৰাকীকৈ ক্ৰিকেটাৰ। ইয়াৰে ৭২ জন বিক্ৰী হোৱাৰ বিপৰীতে বিক্ৰী নোহোৱাকৈ ৰয় ১২জন ক্ৰিকেটাৰ। প্ৰথম দিনটোত দলসমূহে ব্যয় কৰে মুঠ ৪৬৭.৯৫ কোটি টকা। পূৰ্বৰ তুলনাত বহু ক্ৰিকেটাৰৰ শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ দিবলৈ আদানিক মাৰ্কিন আদালতে

আদালতে। উৎকোচৰ অভিযোগত আমেৰিকাৰ আমেৰিকাৰ ষ্টক মাৰ্কেট নিয়ন্ত্ৰক ছিকিউৰিটিজ এণ্ড এক্সচেঞ্জ কমিছনে (এছইচি) দাখিল কৰা এজাহাৰৰ ভিত্তিত আদানি গ্ৰুপৰ মুৰব্বী গৌতম আদানি আৰু সাগৰ আদানিলৈ চমন জাৰি কৰিছে আদালতে। যোৱা ২১ নৱেম্বৰত আহমেদাবাদত থকা তেওঁলোকৰ বাসগৃহলৈ প্ৰেৰণ কৰা চমনত উল্লেখ কৰা হৈছে যে, অভিযোগৰ সঁহাৰি ২১ দিনৰ ভিতৰত আদালতত দাখিল কৰিব লাগিব। চমন অনুযায়ী, নিৰ্ধাৰিত সময়ৰ ভিতৰত তেওঁলোকে কোনো উত্তৰ নিদিলে আদালতে অভিযোগকাৰীৰ দাবী অনুযায়ী ৰায়দান কৰিব। এছ ই চি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ন্যায়ালয়ত দাখিল কৰা অভিযোগ অনুসৰি, সৌৰ শক্তি যোগান আৰু উচ্চ বিদ্যুতৰ মূল্যত বিশেষ লাভালাভ প্ৰাপ্ত কৰাৰ বাবে গৌতম আদানি, সাগৰ আদানি আৰু আদানি গ্ৰীণৰ কিছু বিষয়াই ভাৰত চৰকাৰৰ আমোলাসকলক ২,২০০ কোটি টকালৈকে উৎকোচ দিয়াৰ ষড়যন্ত্ৰত জড়িত আছিল। অভিযোগটোত এয়াও দাবী কৰা হৈছে যে এই সুবিধাৰ জৰিয়তে ২০২০ ৰ পৰা ২০২৪ চনৰ ভিতৰত ২০ কোটি ডলাৰ উপাৰ্জন কৰাৰ পৰিকল্পনা কৰিছিল আদানি গ্ৰুপে। ইফালে, অভিযোগত উল্লেখ কৰা অনুসৰি আদানি গোটৰ সৈতে আজুৰ পাৱাৰ গ্ল'বেলৰ এজন কাৰ্যবাহী চাইৰিল কেবেন্সো এই ষড়যন্ত্ৰত জড়িত আছিল। অন্যহাতে আদানিৰ বিৰুদ্ধে উত্থাপিত এই বিস্ফোৰক অভিযোগৰ পিছতে হোৰাহোৰে হ্ৰাস পায় আদানি গ্ৰুপৰ শ্বেয়াৰ মূল্য। এই অভিযোগক লৈ তীব্ৰ চৰ্চা আৰম্ভ হোৱাৰ পিছতে সকলো অভিযোগ অস্বীকাৰ কৰি আদানি গ্ৰুপে কয় যে তেওঁলোকে সকলো আইনী পদক্ষেপ গ্ৰহণ কৰিব। এক বিবৃতি প্ৰকাশ কৰি আদানি গ্ৰুপে কয়, "আমাৰ ব্যৱসায়ৰ সকলো দিশতে সততা আৰু স্বচ্ছতা বজাই ৰখা হয়। আদানি গ্ৰুপ এটা আইন পালনকাৰী সংস্থা আৰু আমি আমাৰ শ্বেয়াৰহোল্ডাৰ, অংশীদাৰ আৰু কৰ্মচাৰীসকলক আশ্বস্ত কৰিব বিচাৰো যে আমি এই অভিযোগসমূহৰ সমাধানৰ বাবে বদ্ধপৰিকৰ।" উৎকোচৰ অভিযোগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি গ্ৰুপটোৰ মুখ্য বিত্তীয় বিষয়াই কয় যে আদানি গ্ৰুপৰ ১১টা তালিকাভুক্ত কোম্পানীৰ কোনো এটাৰ বিৰুদ্ধে কোনো প্ৰত্যক্ষ অভিযোগ নাই। তেওঁ আৰু কয়, "আমি আমাৰ অধিবক্তাসকলৰ সৈতে অভিযোগসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰিম। বহু কথাই শিৰোনাম দখল কৰিছে, কিন্তু এইবোৰ সম্পূৰ্ণ অপ্ৰাসংগিক।" উল্লেখ্য যে, আমেৰিকাত ভাৰতীয় বিষয়াক কোটি কোটি টকাৰ উৎকোচৰ প্ৰস্তাৱ আৰু বিত্তীয় কেলেংকাৰীৰ অভিযোগ উত্থাপন হৈছিল গৌতম আদানিকে ধৰি সাতজনৰ বিৰুদ্ধে। ইয়াৰ পিছতে কঠোৰ হৈ পৰা দেখা গৈছে মাৰ্কিন ন্যায় বিভাগক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিৰে পৰা সংসদৰ শীতকালীন

সাজু কৰি তুলিছে যোৱা ৫ বছৰৰ তুলনাত শক্তিশালী হৈ পৰা বিৰোধীয়ে। আমেৰিকাৰ আদালতত গৌতম আদানিৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগ, মণিপুৰত শেহতীয়াকৈ পুনৰ বৃদ্ধি পোৱা উত্তেজনা আৰু ৱাকফ আইন সংশোধনী বিধেয়ককে ধৰি কেইবাটাও বিষয়ত সংসদত বিজেপিৰ বাবে প্ৰলয় নমাবলৈ সাজু হৈছে বিৰোধী মিত্ৰজোঁট 'ইণ্ডিয়া'। ইয়াৰ মাজতে মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ বৃহৎ জয়ে বিৰোধীৰ বিৰুদ্ধে সদনৰ মজিয়াত মূৰ দাঙিবলৈ সাহস দিছে বিজেপি আৰু এন ডি এ শিবিৰক। উল্লেখ্য যে, সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে মোদী চৰকাৰে দেওবাৰে আহ্বান কৰা সৰ্বদলীয় বৈঠকত বিৰোধী দলসমূহে স্পষ্টভাৱে কয় যে আদানি গ্ৰুপৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ বিষয়ে সদনত আলোচনা কৰিব বিচাৰে। ইয়াৰ উপৰিও মণিপুৰৰ পৰিস্থিতি আৰু ৱাকফ আইন সংশোধনী বিধেয়ক সন্দৰ্ভতো বিতৰ্ক হ'ব বুলি বিৰোধীয়ে ইতিমধ্যে ইংগিত দিছে। এই দৃশ্যপটত মহাৰাষ্ট্ৰত বিজেপিৰ সাফল্যই সংসদত বিজেপি আৰু এন ডি এৰ ভূমিকা শক্তিশালী কৰিব বুলি মন্তব্য কৰিছে ৰাজনৈতিক বিশ্লেষকসকলে। মন কৰিবলগীয়া যে, ২৮৮খন আসনৰ ভিতৰত ২৩৩খন আসন লাভ কৰি মহাৰাষ্ট্ৰত এন ডি এয়ে ইতিহাসৰ এক বৃহৎ জয়ৰ সূচনা কৰিছে এইবাৰ। এই ফলাফলে বিজেপিক সংসদত হেঁচা চম্ভালিবলৈ অধিক ক্ষমতা প্ৰদান কৰিব। শনিবাৰে ফলাফল ঘোষণাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে কংগ্ৰেছৰ বাবেই মহাবিকাশ আঘাড়ী পৰাজিত হৈছে। বিৰোধী মিত্ৰজোঁটৰ মাজৰ সম্পৰ্ক দুৰ্বল কৰাৰ বাবে কংগ্ৰেছক লক্ষ্য কৰি লোৱা হ'ব বুলি তেওঁ ইংগিত দিয়ে। অন্যহাতে শেহতীয়াকৈ উত্তৰ ভাৰতে নিৰাশ কৰিলেও পূব ভাৰতে এক ডাঙৰ সকাহ প্ৰদান কৰিছে বিৰোধী মিত্ৰজোঁটক। এই মিত্ৰতাই ঝাৰখণ্ডত ক্ষমতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। একেদৰে তৃণমূল কংগ্ৰেছে পশ্চিম বংগৰ ছয়খন বিধানসভাৰ আসনতে জয়লাভ কৰিছে। বিজেপিয়ে তুলনামূলকভাৱে ভাল প্ৰদৰ্শন কৰিলেও পশ্চিমবংগত মমতাৰ সন্মুখত পুনৰ এবাৰ ধৰাশায়ী হয় গেৰুৱা বাহিনী। মহাৰাষ্ট্ৰৰ নিৰ্বাচনৰ ফলাফলে আত্মবিশ্বাস বৃদ্ধি কৰা বিজেপিয়ে সংসদৰ মজিয়াত কেনে স্থিতি গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়। কিন্তু তৃণমূলৰ সাংসদ সমীৰুল ইছলামে কয়, "মহাৰাষ্ট্ৰত বিজেপিয়ে জয়লাভ কৰিলেও যি বিচাৰে তাকে কৰিব নোৱাৰিব। বংগত বিজেপিৰ ভোট কমিছে, সংসদত প্ৰতিটো বিষয়তে আমি তেওঁলোকৰ মুখামুখি হম।" ইফালে দুটাকৈ লোকসভাৰ উপ-নিৰ্বাচনত কংগ্ৰেছে জয়লাভ কৰে যদিও মহাৰাষ্ট্ৰত কংগ্ৰেছৰ প্ৰদৰ্শন হতাশাজনক পৰিলক্ষিত হয়। কেৰালাৰ ৱায়ানাদ আসনত প্ৰিয়ংকা গান্ধীয়ে চাৰি লাখতকৈ অধিক ভোটত জয়লাভ কৰি প্ৰথমবাৰৰ বাবে খোজ দিব সংসদৰ মজিয়াত। এইবাৰৰ শীতকালীন অধিৱেশনত প্ৰিয়ংকা গান্ধীক লক্ষ্য কৰি কংগ্ৰেছৰ বিৰুদ্ধে পৰিয়ালবাদক লৈও সৰৱ হ'ব পাৰে প্ৰধানমন্ত্ৰী মোদী। বিপৰীতে প্ৰিয়ংকা গান্ধীয়েও মোদীক আক্ৰমণ কৰাৰ সম্ভাৱনা আছে। লক্ষণীয় যে, এই অধিৱেশনত চৰকাৰে ১৫খন বিধেয়ক উত্থাপন কৰিবলৈ ওলাইছে। ইয়াৰে আটাইতকৈ বিতৰ্কিত হ'ব পাৰে ৱাকফ আইন সংশোধনী বিধেয়ক। অৱশ্যে আদানি গ্ৰুপৰ উৎকোচ গোচৰক লৈ সংসদত বিৰোধীয়ে বৃহৎ হেঁচা সৃষ্টি কৰিব বুলি অনুমান কৰা হৈছে। বিজেপিৰ সাংসদ সুকান্ত মজুমদাৰে কয়, 'সংসদ স্থবিৰ কৰিবলৈ চেষ্টা কৰিলে বিৰোধীয়ে ভুল কৰিব। আমাৰ লক্ষ্য জনকল্যাণ।"

প্ৰথম পৃষ্ঠাৰ পৰা...

# নিশিনাথ চাংকাকতি প্ৰয়াত

প্ৰধানৰ দায়িত্ব পালন কৰা ব্যতিক্ৰমী, ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত আইপিএছ নিশিনাথ চাংকাকতিৰ আজি দেহাৱসান ঘটে। লিখা-মেলা, সমাজসেৱা, শিক্ষাক্ষেত্ৰৰ সৈতে জড়িত নিশিনাথ চাংকাকতিয়ে আজি সন্ধিয়া মৃত্যুক আকোৱালি লয়। মৃত্যু সময়ত চাংকাকতিৰ বয়স আছিল ৮৯ বছৰ। পূৰ্বেই পত্নীক হেৰুওৱা আৰু নিঃসন্তান চাংকাকতি দীৰ্ঘদিন ধৰি অসুস্থ হৈ আছিল। চিকিৎসা কৰি আছিল যদিও পুনৰ সুস্থ হৈ নুঠিল। অসম আৰক্ষীয়ে সকলো আৰক্ষী থানাত পতাকা অৰ্ধনমিত কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁলোকৰ পূৰ্বৰ সাহসী বিষয়াজনক। স্বেচ্ছাসেৱী অনুষ্ঠান কৰুণাধাৰাৰ প্ৰতিষ্ঠাপক সভাপতি আছিল নিশিনাথ চাংকাকতী। আশীৰ দশক আৰু নব্বৈৰ দশক বিদ্ৰোহীৰ উত্থানৰ সময়তে অসমৰ আইন-শৃংখলা পৰিস্থিতি চম্ভালিবলৈ বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। অগপ চৰকাৰৰ দিনত গৃহমন্ত্ৰীক ৰঙা চকু দেখুৱাই চাকৰি এৰি থৈ অহা নিশিনাথ চাংকাকতিক সাহসী, ব্যতিক্ৰমী আইপিএছ হিচাপে জনা গৈছিল। ১৯৯৮ চনত অসম আৰক্ষীৰ সঞ্চালক প্ৰধানৰ দায়িত্ব পালন কৰা নিশিনাথ চাংকাকতিৰ দিনত ব্যতিক্ৰমী আইপিএছ নিশিনাথ চাংকাকতীক অপমান কৰা হৈছিল। নিশা চৰকাৰী আৱাসলৈ মাতি নি অগপ নেতা তথা সেই সময়ৰ গৃহমন্ত্ৰী ভৃগু কুমাৰ ফুকনে অপমান কৰাত ডিজিপি পদ ত্যাগ কৰাৰ লগতে চাকৰি ত্যাগ কৰিছিল স্বাভিমানী আৰক্ষী বিষয়াগৰাকীয়ে। পাছত এখন অংকুৰ চেমিনাৰী নামৰ স্কুল স্থাপন কৰিছিল শিক্ষাদানত ব্ৰতী হৈ আছিল। এইগৰাকী আৰক্ষী বিষয়াই সময়ে সময়ে আৰক্ষীক সংস্কাৰৰ বাবে পৰামৰ্শ দিয়াৰ লগতে চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে সজোৰে মাত মাতিছিল। অসমৰ বুদ্ধিজীৱী, বিশিষ্ট নাগৰিকসকলৰ সৈতে প্ৰায়ে জনহিতকৰ কাম-কাজ আৰু চৰকাৰৰ জনবিৰোধী নীতিৰ বিৰুদ্ধে মাত মাতিছিল। বিভিন্ন ক্ষেত্ৰত অসমীয়া জাতিৰ প্ৰতি তেওঁৰ যথেষ্ট অৰিহণা আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মছজিদৰ জৰীপক লৈ উত্তপ্ত যোগীৰাজ্য

আৰক্ষীৰ মাজত সৃষ্টি হোৱা তীব্ৰ সংঘৰ্ষত নিহত হয় তিনিজনকৈ লোক। উত্তৰ প্ৰদেশৰ চম্ভলত দেওবাৰে সংঘটিত হৈছে এই ঘটনা। মছজিদৰ জৰীপৰ সময়ত সূত্ৰপাত ঘটা সংঘাতত ৩০ জনৰো অধিক আৰক্ষীও আহত হয়। উল্লেখ্য যে, এই জামা মছজিদটো হিন্দু মন্দিৰৰ স্থানত নিৰ্মাণ কৰা বুলি দাবী কৰি হিন্দু গোটে আদালতত দাখিল কৰা এক আবেদনৰ ভিত্তিত মছজিদটোৰ জৰীপ চলোৱাৰ নিৰ্দেশ প্ৰদান কৰিছিল আদালতে। দেওবাৰে পুৱা প্ৰায় ৭:৩০ বজাত অধিবক্তা আয়ুক্তৰ নেতৃত্বত জৰীপ দলটোৱে কাম আৰম্ভ কৰাৰ লগে লগে মছজিদ চৌহদত স্থানীয় লোকৰ ভিৰ গোট খাবলৈ ধৰে। ৰাইজে আৰক্ষীৰ প্ৰৱেশ বন্ধ কৰিবলৈ চেষ্টা কৰি আৰক্ষীৰ ওপৰত শিলগুটি নিক্ষেপ কৰিবলৈ আৰম্ভ কৰাত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ ব্যৱহাৰ কৰে। এই উত্তপ্ত পৰিস্থিতিৰ সময়তে নাইম, বিলাল আৰু নৌমান নামৰ তিনিজন ব্যক্তিয়ে প্ৰাণ হেৰুৱায়। ইয়াৰ উপৰিও কেইবাখনো বাহনত অগ্নিসংযোগ কৰে উত্তপ্ত ৰাইজে। পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ তিনিগৰাকী মহিলাসহ ১৫জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। লক্ষণীয় যে, এই জৰীপ চলোৱাটো ঐতিহাসিক সত্য উন্মোচনৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি যুক্তি আগবঢ়াইছে হিন্দু গোটসমূহে। আনহাতে সমালোচকসকলে এই পদক্ষেপক ধৰ্মীয় স্থানৰ পবিত্ৰতা উলংঘা কৰা বুলি অভিহিত কৰি ১৯৯১ চনৰ উপাসনা স্থান আইন উলংঘা কৰাৰ অভিযোগ কৰে। সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে এই অশান্তিৰ বাবে বিজেপি চৰকাৰক জগৰীয়া কৰে। তেওঁ অভিযোগ কৰে যে, "এই জৰীপটো শেহতীয়া উপ-নিৰ্বাচনৰ সময়ত বিজেপিৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ পৰা মনোযোগ আঁতৰোৱাৰ পৰিকল্পিত ষড়যন্ত্ৰ।" আনহাতে সমাজবাদীৰ সাংসদ জিয়াউৰ ৰহমান বাৰ্কেও এই জৰীপৰ বিৰোধিতা কৰি কয় যে, "১৯৪৭ চনত থকা ধৰ্মীয় স্থানৰ মৰ্যাদা অপৰিৱৰ্তিত থাকিব লাগে।" মন কৰিবলগীয়া যে, মছজিদৰ জৰীপ সম্পূৰ্ণ হোৱাৰ পিছত ২৯ নৱেম্বৰত আদালতত প্ৰতিবেদন দাখিল কৰা হ'ব। ঘটনাটোৱে সৰ্বত্ৰে সৃষ্টি কৰিছে প্ৰতিক্ৰিয়াৰ।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উপ-নিৰ্বাচনৰ বাবেই বিসম্বাদ আম

প্ৰাৰ্থী থিয় কৰাই আমানতৰ ধন বাজেয়াপ্ত হোৱা আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতিত বিসম্বাদ আৰম্ভ হৈছে। আপে উপ-নিৰ্বাচনত থিয় কৰোৱা প্ৰাৰ্থীক সহায় নকৰি বিসম্বাদ কৰা বিশ্বনাথ জিলাৰ সভাপতি মেহুৰেল বসুমতাৰীক সভাপতি পদৰ পৰা অপসাৰণ কৰা বুলি বিবৃতি যোগে প্ৰকাশ কৰিছে। এক বিবৃতি যোগে অসম ৰাজ্যিক আপে কয় যে সদ্য সমাপ্ত বিহালী বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ আৰু অন্যান্য দলীয় কাম-কাজৰ পৰা মেহুৰেল বসুমতাৰী অকৰ্তৃত্বশীলভাৱে আঁতৰি আছিল। যাৰ বাবে আম আদমি পাৰ্টীৰ বিশ্বনাথ জিলা সমিতিৰ সভাপতি মেহুৰেল বসুমতাৰীক সভাপতি পদৰ পৰা অপসাৰণ কৰা হৈছে। দলে বিহালী সমষ্টিত থিয় কৰোৱা প্ৰাৰ্থী অনন্ত গগৈক কোনোধৰণৰ সহযোগ নকৰাত ১৭ নৱেম্বৰত কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰি ৭ দিনৰ ভিতৰত উত্তৰ দিবলৈ কৈছিল মেহুৰেল বসুমতাৰীক। কিন্তু ৭ দিনৰ ভিতৰত উত্তৰ নিদিয়াত ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ নিৰ্দেশত মেহুৰেল বসুমতাৰীক বিশ্বনাথ জিলা সমিতিৰ সভাপতি পদৰ পৰা তৎকালে কাৰ্যকৰী হোৱাকৈ অপসাৰণ কৰা হৈছে। বিহালীত আপ প্ৰাৰ্থী অনন্ত গগৈয়ে ১,২১৭টা ভোট আৰু চামগুৰিত আপ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীয়ে ৯৩৪টা ভোট লাভ কৰিছে। দিল্লীৰ এগৰাকী নেতাই কেইবা কেইবা লক্ষ টকাৰ বিনিময়ত হঠাতে অসমৰ উপ-নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰোৱাৰ সিদ্ধান্ত লৈছিল বুলি গুৰুতৰ অভিযোগ উঠিছে। ইপিনে বিশ্বনাথ জিলাৰ একাংশ নেতাই বিহালী সমষ্টিত শাসকীয় বিজেপি দলৰ প্ৰাৰ্থীক টকাৰ বিনিময়ত গোপনে সহায় কৰিছিল বুলি এটা বিশ্বস্ত সূত্ৰই প্ৰকাশ কৰিছে। কিয়নো বিশ্বনাথ জিলাৰ নেতাসকলে সমষ্টিটোত প্ৰাৰ্থী থিয় কৰোৱাটো বিচৰা নাছিল। কিন্তু হঠাতে কিহৰ বাবে অনন্ত গগৈক টিকট দিলে সেই কথা গম পোৱা নাছিল। ইপিনে চামগুৰি সমষ্টিত নুৰুল আমিন চৌধুৰী তথা সংখ্যালঘু লোকক প্ৰাৰ্থী থিয় কৰোৱাত ৰহস্যৰ গোন্ধ ওলাইছে। দিল্লীৰ এগৰাকী নেতা, প্ৰদেশ সভাপতি মনোজ ধানোৱাৰৰ বিৰুদ্ধে দলৰ ৰাজ্যিক সমিতিৰ একাংশ নেতা আৰু কেবাখনো জিলাৰ নেতা নাৰাজ বুলি জানিব পৰা গৈছে। অসমক ভাত ঘৰ কৰি লোৱা দিল্লীৰ নেতাজনৰ বিৰুদ্ধে বহু দুৰ্নীতি অভিযোগ উত্থাপন হৈ আহিছে। লোকসভা নিৰ্বাচনত টিকট প্ৰদানত ধনৰ লেন-দেন, উপ-নিৰ্বাচনৰ টিকট প্ৰদানত ধনৰ লেন-দেন কৰাৰ লগতে ৰাজ্যিক সমিতিত দলীয় পদবী প্ৰদানতো দুৰ্নীতি সংঘটিত হোৱা বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। ৰাজ্যত আজিলৈ এজন বিধায়ক জয়ী কৰাব নোৱাৰা আপে দুই সমষ্টিত প্ৰাৰ্থী থিয় কৰাই হাঁহিয়াতৰ পাত্ৰ হৈছে। দিল্লী আৰু পঞ্জাৱত চৰকাৰ চলাই থকা ৰাষ্ট্ৰীয় দল স্বীকৃত আম আদমী পাৰ্টীয়ে অত্যুৎসাহী সিদ্ধান্ত লৈ অসমত অনুষ্ঠিত উপ-নিৰ্বাচনত দুই সমষ্টিত প্ৰাৰ্থী থিয় কৰাইছিল যদিও দুয়োটা সমষ্টিতে অতি লজ্জাজনকভাৱে পৰাজিত হৈছে।

# কাকপথাৰত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজনক আটক

**ই-সংবাদ, ডুমডুমা-কাকপথাৰ, ২৪ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ কাকপথাৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোজ ফুকনৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে আজি গোপন সূত্ৰৰ পম খেদি চলোৱা এক অভিযানত ২১ গ্ৰাম হেৰ'ইন জব্দ কৰাৰ লগতে ঘটনাৰ সৈতে জড়িত এজনক আটক কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, কাকপথাৰ নগৰৰ সমীপৰ ১ নং ওপৰ উবন গাৱঁৰ মৃদুল বুঢ়াগোহাঁই নামৰ ড্ৰাগছ সৰবৰাহকাৰীটোৱে কাষৰীয়া অৰুণাচল প্ৰদেশৰ নামচাইত উক্ত ড্ৰাগছখিনি দিবলৈ গৈ থকা অৱস্থাত কাকপথাৰ আৰক্ষীয়ে তালাচী চলাই ড্ৰাগছখিনি জব্দ কৰাৰ লগতে ধৃত ড্ৰাগছ সৰবৰাহকাৰী মৃদুল বুঢ়াগোহাঁইৰ পৰা নগদ ৩৫,১৫০ টকা জব্দ কৰে। ঘটনাৰ সন্দৰ্ভত কাকপথাৰ আৰক্ষীয়ে মৃদুল বুঢ়াগোহাঁইক জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে, বৃহত্তৰ কাকপথাৰ অঞ্চলটোত দিনক দিনে মাৰাত্মক ড্ৰাগছৰ প্ৰচলন বৃদ্ধি পোৱাৰ সমান্তৰালকৈ অঞ্চলটোত চুৰি-ডকাইতিৰ দৰে অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাবলৈ ধৰিছে, যাক লৈ এতিয়া ৰাইজ যথেষ্ট চিন্তিত হৈ পৰিছে। ড্ৰাগছ-কানি আদিৰ অবাধ প্ৰচলনে যুৱ প্ৰজন্মক ক্ষতি কৰাৰ লগতে অঞ্চলটোৰ সামাজিক পৰিৱেশ বিঘ্নিত কৰি তুলিছে বুলি সচেতন মহলে মত ব্যক্ত কৰাৰ লগতে আৰক্ষী-প্ৰশাসনক উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# নাবালিকা ছাত্ৰীক অপহৰণক লৈ গোলকগঞ্জত চাঞ্চল্য

**ই-সংবাদ, গোলকগঞ্জ, ২৪ নৱেম্বৰঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত গোলকগঞ্জ চিন্ময়ী ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ এগৰাকী ছাত্ৰী যোৱা ২২ নৱেম্বৰত অপহৰণ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, দক্ষিণ টোকৰেৰ ছৰা গাঁৱৰ ছাত্ৰী গৰাকী বিদ্যালয়ৰ ছুটীৰ পিছত ঘৰমুৱা হোৱাৰ সময়তে গৌৰীপুৰৰ দুমৰদহৰ (কুৰিৰপাৰ) প্ৰফুল্ল ৰায়ৰ পুত্ৰ ধনঞ্জয় ৰায় আৰু তেওঁৰ খুৰাকৰ লৰা বিনয় ৰায় বিভিন্ন কথাৰে ফুচলাই অপহৰণ কৰে। সন্ধিয়া লৈ ঘৰত ঘুৰি নহাত পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত নিৰুদ্দেশ হোৱা বুলি অৱগত কৰে। চাৰিওফালে বিচাৰ খোচাৰ কৰি কোনো সুংসূত্ৰ উলিয়াব নোৱাৰাৰ লগতে ধনঞ্জয়ে ফুচলাই নিয়া বুলি নিশ্চিত হোৱাত গোলকগঞ্জ থানাত কালি এখন এজাহাৰ দিয়ে। আৰক্ষীয়ে নাবালিকা ছাত্ৰী গৰাকীৰ সন্ধানত তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে গোলকগঞ্জ অঞ্চলত বিগত কেবাদিনো ধৰি এনেধৰণৰ একাধিক ঘটনা সংঘটিত হৈ অহাক লৈ উদ্বিগ্ন হৈ পৰিছে স্থানীয় সচেতন ৰাইজ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুগল মেপৰ নিৰ্দেশনা চাওতে ঘটিল

পৰা নৈৰ বুকুত বাগৰি পৰি অকাল মৃত্যুক সাৱটিবলগীয়া হ'ল চালকসহ তিনিজন লোকে। এই মৰ্মান্তিক ঘটনাৰ স্থান হৈছে উত্তৰ প্ৰদেশৰ বৰেলী। দেওবাৰে পুৱা ৰামগংগা নদীৰ পৰা উদ্ধাৰ হয় তিনিওজনৰ মৃতদেহ। নিহত সকলৰ পৰিচয় এতিয়াও নিশ্চিত কৰিব পৰা নাই আৰক্ষীয়ে। আৰক্ষীৰ সূত্ৰ অনুসৰি যাত্ৰী কেইজনে বৰেলীৰ পৰা বদায়ুন জিলাৰ দাতাগঞ্জলৈ গৈ থকাৰ সময়তে সংঘটিত হয় এই দুৰ্ঘটনা। খালপুৰ-দাতাগঞ্জ পথেৰে তেওঁলোকে জিপিএছে দেখুওৱা পথ অনুসৰণ কৰি গৈ থকাৰ সময়তে ভগ্ন দলঙৰ পৰা বাগৰি নৈত পৰে আৰু মৃত্যুক সাৱটি লয়। চক্ৰ বিষয়া আশুতোষ শিৰমে জানিবলৈ দিয়া মতে, যোৱাটো বাৰিষাতে বাঢ়নী পানীয়ে ভাঙি থৈ গৈছিল দলংখনৰ সন্মুখৰ অংশ। শেহতীয়াকৈ দলংখনৰ পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছিল যদিও জিপিএছত আপডেট কৰা হোৱা নাছিল। এনে পৰিপ্ৰেক্ষিতত চালকজনে দলংখনৰ প্ৰকৃতি নজনাকৈ জিপিএছ মতে গৈ থাকি নৈতি বাগৰি পৰে। ইফালে দুৰ্ঘটনা প্ৰতিৰোধ কৰিবলৈ নিৰ্মীয়মান দলংখনৰ ওপৰত কোনো ধৰণৰ ফলক বা সতৰ্কবাণী লিখা হোৱা নাছিল বুলিও অভিযোগ উত্থাপন হৈছে। দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছত বদায়ুন আৰু বৰেলী আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ নদীৰ পৰা তিনিজনৰ মৃতদেহ উদ্ধাৰ কৰে। দুৰ্ঘটনাৰ সময়ত গাড়ীখন তীব্ৰ বেগত চলি আছিল বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই ঘটনাই যোগীৰাজৰ উন্নয়নৰ স্বৰূপ উদঙাই দিছে বুলি চৰ্চা চলিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্তক ৰুধিবলৈ অচিৰেই অসমলৈ

মৰ্চাৰ নেতা হেমন্ত ছোৰেনে সংকল্প গ্ৰহণ কৰিছে। ২০২৬ চনৰ বিধানসভাৰ নিৰ্বাচনত ষ্টাৰ কেম্পেইনাৰ হিচাপে অসমলৈ আহিব হেমন্ত ছোৰেন। প্ৰদেশ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ আগত ইতিমধ্যে এই কথা প্ৰকাশ কৰিছে ছোৰেনে। অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ঝাৰখণ্ডত ঘোটে ঘোটে পানী খুৱাই দিয়া হেমন্ত ছোৰেনে অসমৰ চাহ জনগোষ্ঠীয় লোকসকলৰ ৰাজনৈতিক কাম-কাজ আৰম্ভ কৰিব আৰু শীঘ্ৰেই এটা প্ৰতিনিধিৰ দল অসমলৈ প্ৰেৰণ কৰিব। অসমৰ চাহ শ্ৰমিকসকলৰ জীৱন নিৰ্বাহৰ মানদণ্ডৰ বুজ ল'বলৈ ঝাৰখণ্ড চৰকাৰে ইতিমধ্যে এখন সমিতি গঠন কৰিছে আৰু অসমৰ চাহ শ্ৰমিকসকলৰ বিভিন্ন ক্ষেত্ৰত মানৱ অধিকাৰ ভংগ হোৱাৰ অভিযোগ উত্থাপন কৰি বিষয়টো আইনগত প্ৰক্ৰিয়ালৈ নিয়াৰো চিন্তা-চৰ্চা কৰিছে। উজনি অসমৰ চাহ বাগিচাসমূহত উন্নত চিকিৎসাৰ অভাৱ ঘটা বিশেষকৈ কলঘৰসমূহত শ্ৰমিকৰ সঘন মৃত্যু হোৱা আৰু প্ৰসূতিৰ মৃত্যুৰ সংখ্যা বৃদ্ধি পোৱা তথ্যসমূহ সংগ্ৰহ কৰি ঝাৰখণ্ড চৰকাৰে মানৱাধিকাৰ আয়োগৰ ওচৰত দাখিল কৰিবলৈ ইতিমধ্যে এখন প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়াইছে। অসমৰ কেবাজনো জ্যেষ্ঠ সাংবাদিক আৰু ৰাজনৈতিক নেতাই এই সন্দৰ্ভত তথ্য সংগ্ৰহ কৰি দিয়া বুলি জানিব পৰা গৈছে। লক্ষ্মী ওৰাং, মইনা নায়কক ধৰি চাহ জনগোষ্ঠীয় বহু মহিলাৰ অসমত মানৱতা ভূ-লুণ্ঠিত হোৱাৰ অভিযোগৰ লগতে শেহতীয়াকৈ চৰকাৰী অৱহেলাত কিমান চাহ শ্ৰমিকৰ সতি-সন্ততিয়ে প্ৰকৃত শিক্ষা লাভ নকৰাৰ অভিযোগ উত্থাপন হৈছে। বহু চাহ বাগিছা এলেকাৰ পৰা প্ৰাথমিক বিদ্যালয় উঠাই আনি একত্ৰীকৰণ কৰাৰ নামত চাহ শ্ৰমিকৰ ল'ৰা-ছোৱালীক শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত কৰাৰ বিষয়টোও ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগক দাখিল কৰিব বুলি জানিব পৰা গৈছে। অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডক যিবোৰ প্ৰতিশ্ৰুতি দি আহিছিল সেইবোৰ অসমত পালন কৰাৰ দাবীত শীঘ্ৰেই অসমৰ চাহ বাগিচা এলেকাসমূহত ঝাৰখণ্ড মুক্তি মৰ্চাৰ প্ৰতিনিধিয়ে ৰাইজক সচেতন কৰিবলৈ আহিব বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে। সূত্ৰটোৰ মতে, নিৰ্বাচনত জিকাৰ পিছতেই অসমৰ কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বলৈ হেমন্ত ছোৰেনে নিজেই টেলিফোন কৰি বাৰ্তালাপ কৰে। অকল সেয়াই নহয়, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত নিৰ্বাচনী প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহৰ ভিডিঅ' ফুটেজসমূহো অসমৰ কংগ্ৰেছ নেতৃত্বলৈ প্ৰেৰণ কৰিছে ঝাৰখণ্ড মুক্তি মৰ্চাৰ ৰাজনৈতিক নেতাই। ৫০০ টকাত গেছৰ চিলিণ্ডাৰ দিম বুলি প্ৰতিশ্ৰুতি দিয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমৰ গেছৰ চিলিণ্ডাৰৰ দাম কেতিয়া কমাব বুলিও তেওঁলোকে প্ৰশ্ন উত্থাপন কৰিছে। একেদৰে ঝাৰখণ্ডত মহিলাসকলক চৰকাৰ আহিলে ২৫০০ টকাকৈ প্ৰতিগৰাকীৰ বেংক একাউণ্টত পতককৈ সুমুৱাই দিম বুলি কোৱা হিমন্ত বিশ্ব শৰ্মাই অসমৰ অৰুণোদয় ১২০০ টকাৰ পৰা কেতিয়া ২৫০০ টকালৈ বৃদ্ধি কৰিব সেইবোৰ প্ৰশ্নও উত্থাপন হ'ব বুলি সূত্ৰটোৱে প্ৰকাশ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আইপিএলৰ নিলাম, প্ৰথম দিনা উৰিল

দাম বৃদ্ধি পালে। বহুতৰ আকৌ দাম কমিল। যোৱাবাৰৰ আইপিএল জয়ী অধিনায়ক শ্ৰেয়াছ আয়াৰৰ মূল্য বৃদ্ধি পালে কেবা কোটি টকালৈ। বিপৰীতে, হ্ৰাস পালে বিগত নিলামত ২৪ কোটি ৭৫ লাখ টকাত বিক্ৰী হোৱা মিচেল ষ্টাৰ্কৰ মূল্য। যোৱাবাৰ কলকাতা নাইট ৰাইডাৰ্ছে ২৪.৭৫ কোটি টকাত ক্ৰয় কৰিছিল ষ্টাৰ্কক। অষ্ট্ৰেলিয়াৰ বাওঁহতীয়া পেচাৰগৰাকীয়ে এইবাৰ নিলামত ১১ কোটি ৭৫ লাখ টকা লাভ কৰে। তেওঁক ক্ৰয় কৰে দিল্লী কেপিটেলছে। যোৱাবাৰৰ তুলনাত ১৩ কোটি টকা কমকৈ পালে ষ্টাৰ্কে। তেওঁৰ দাম কমিলেও দাম বাঢ়িল ভাৰতীয় পেচাৰ মহম্মদ ছামিৰ। ২০২২ চনৰ নিলামত তেওঁ বিক্ৰী হৈছিল ৬ কোটি ২৫ লাখ টকাত। এইবাৰ তেওঁৰ দাম ১০ কোটি টকা। তেওঁক ক্ৰয় কৰে ছানৰাইজাৰ্ছ হায়দৰাবাদে। ঋষভ পন্ত আৰু শ্ৰেয়াছ আয়াৰৰ বৃদ্ধি পালে দাম। ২০২২ চনত কলকাতা নাইট ৰাইডাৰ্ছে ১২ কোটি ২৫ লাখ টকাত ক্ৰয় কৰিছিল শ্ৰেয়াছক। এই নিলামত পঞ্জাব কিংছে তেওঁক ২৬ কোটি ৭৫ লাখ টকাত ক্ৰয় কৰে। আগৰবাৰৰ তুলনাত দুগুণতকৈও অধিক টকা লাভ কৰে ক্ৰিকেটাৰগৰাকীয়ে। দাম বৃদ্ধি পোৱা ঋষভ পন্তে এইবাৰ লাভ কৰিছে ২৭ কোটি টকা। বিগত বৰ্ষত ১৬ কোটি টকাত দিল্লীয়ে ক্ৰয় কৰিছিল পন্তক। এইবাৰ তেওঁ আৰু ৯ কোটি টকা বেছিকৈ লাভ কৰে। শ্ৰেয়াছৰ দাম বৃদ্ধি পালেও দাম কমিছে লোকেশ ৰাহুল, ঈশান কিষানৰ দৰে ক্ৰিকেটাৰৰ। লক্ষ্ণৌৱে ১৭ কোটি টকাত ৰাহুলক ক্ৰয় কৰিছিল। এইবাৰ তেওঁক ১৪ কোটি টকাত কিনিলে দিল্লী কেপিটেলছে। অৰ্থাৎ ভাৰতীয় দলৰ ক্ৰিকেটাৰগৰাকীৰ বাবে পূৰ্বৰ তুলনাত ৩ কোটি টকা হ্ৰাস পাইছে। ২০২২ চনৰ নিলামত সৰ্বাধিক ধন লাভ কৰিছিল ঈশানে। মুম্বাই ইণ্ডিয়ানছে তেওঁক ১৫ কোটি ২০ লাখ টকাত কিনিছিল। ছানৰাইজাৰ্ছ হায়দৰাবাদে এইবাৰ ১১ কোটি ২৫ লাখ টকাত ক্ৰয় কৰে উইকেটকীপাৰ বেটছমেনজনক। ভেংকেটেশৰ বৃদ্ধি পালে দাম। ২০২১ চনত কেকেআৰে ২০ লাখ টকাত ক্ৰয় কৰিছিল। পিছৰ বছৰত কলকাতাই তেওঁক ধৰি ৰাখিছিল। এইবাৰ তেওঁৰ মূল্য ২৩ কোটি ৭৫ লাখলৈ বৃদ্ধি পালে। বিৰাট কোহলীতকৈও বেছি দাম লাভ কৰিছে ভেংকেটেশে। পূৰ্বৰ তুলনাত ১৫ কোটি ৭৫ লাখ বৃদ্ধি পাইছে ভেংকেটেশৰ মূল্য। জ'ছ বাটলাৰৰ দামো বৃদ্ধি পাইছে। ২০২২ চনত ৰাজস্থান ৰয়েলছে ১০ কোটি টকাত ক্ৰয় কৰিছিল তেওঁক। এইবাৰ গুজৰাট টাইটানছে ১৫ কোটি ৭৫ লাখ টকাত বাটলাৰক চুক্তিৱদ্ধ কৰোৱায়। ভাৰতীয় পেচাৰসকলৰ ভিতৰত দাম বৃদ্ধি পাইছে আৰ্শদীপ সিঙৰ। তেওঁক ৪ কোটি টকাত কিনিছিল পঞ্জাৱ কিংছে। এইবাৰ তেওঁ লাভ কৰে ১৮ কোটি টকা। পেচাৰ মহম্মদ ছিৰাজৰ মূল্যও বৃদ্ধি পাইছে। ২০২২ চনত ৰয়েল চেলেঞ্জাৰছ বাংগালুৰুই তেওঁক ৭ কোটি টকাত ক্ৰয় কৰিছিল। এইবাৰ গুজৰাটে তেওঁক ১২ কোটি ২৫ লাখ টকাত কিনে। উল্লেখ্য যে, এইবাৰ নিলামত উঠিছিল মুঠ ৫৭৪ গৰাকী ক্ৰিকেটাৰ। ইয়াৰে ৩৬৬ জন ভাৰতীয়, ২০৮জন বিদেশী। ভাৰতীয়ৰ ভিতৰত ৩১৮ গৰাকী আনকেপড আৰু ৪৮ গৰাকী কেপড। বিদেশী কেপড খেলুৱৈ অৰ্থাৎ ৰাষ্ট্ৰীয় দলত খেলা বিদেশীসকলৰ ভিতৰত ১৯৩ জন খেলুৱৈ আৰু ১২ জন অনকেপড খেলুৱৈ আছে। এই নিলামৰ পৰা ২০৪ জনে দল লাভ কৰিবলৈ সমৰ্থ হ'ব। ইয়াৰ ভিতৰত বিদেশী ক্ৰিকেটাৰৰ সংখ্যা হৈছে ৭০ জন।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘ভস্মাসুৰ’ত পৰিণত অসমৰ কোন নেতা?

বৰ লাভ কৰাৰ পিছত একপ্ৰকাৰ পৃথিৱীত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল ব্ৰহ্মাৰ বৰ লাভ কৰা সেই অসুৰজনে। আজি তেনে এজন ভস্মাসুৰৰ কাহিনীকে তথ্যসহকাৰে জনাব বিচাৰিছো। হিমন্ত বিশ্ব শৰ্মাৰ দক্ষ ৰাজনৈতিক নেতা হিচাপে পৰিচিত যদিও মাত্ৰাধিক ক্ষমতাকেন্দ্ৰিক ৰাজনীতিৰ বাবে হিমন্ত বিশ্ব শৰ্মা এতিয়া দিকবিদিক হেৰুওৱা দৈত্য সদৃশ এজন লোকলৈ পৰিণত হৈছে। তেওঁ যি বিচাৰে তাকেই লাগিব জাতীয় আচৰণত অভ্যস্ত হৈ পৰা বাবেই ৰাষ্ট্ৰীয় নিৰ্বাচনী ৰাজনীতিত এক হতাশজনক ইতিহাস ৰচিবলৈ গৈ আছে। তেওঁ যি ৰাজ্যতেই নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈছে সেই ৰাজ্যতেই ভাৰতীয় জনতা পাৰ্টী বিধ্বস্ত হৈ পৰিছে। উদাহৰণ স্বৰূপে বিগত ৪ মাহ ধৰি তেওঁ ঝাৰখণ্ডত সহকাৰী তত্বাৱধায়ক হিচাপে দায়িত্ব লাভ কৰি ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ ঢপলিয়াই নিৰ্বাচনী প্ৰচাৰ চলাইছিল। ষ্টাৰ কেম্পেইনাৰৰ ৰামনামী গাত মেৰিয়াই হিমন্ত বিশ্ব শৰ্মাই ঝাৰখণ্ডত ৫৩খন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিছিল। অকল সেয়াই নহয়, অসমত কৰাৰ দৰে ঝাৰখণ্ড মুক্তি মৰ্চা চমুকৈ জেএমএমক বিভক্ত কৰিবলৈ অপচেষ্টা চলাইছিল। কিছু পৰিমাণে তেওঁ সক্ষমো হৈছিল আৰু জেএমএমৰ একালৰ অখণ্ড প্ৰতাপী নেতা চম্পাই ছোৰেণক মুখ্যমন্ত্ৰী পতাৰ টোপ দি ভাৰতীয় জনতা পাৰ্টীত যোগদান কৰাইছিল। হিমন্ত বিশ্ব শৰ্মাৰ ষড়যন্ত্ৰৰ বলি হৈ চম্পাই ছোৰেণৰ ৰাজনৈতিক সপোন থানবান হৈ পৰাৰ পিছত শেহতীয়াকৈ চম্পাই ছোৰেনৰ টেলিফোন ধৰিবলৈকো সাহস কৰা নাই হিমন্ত বিশ্ব শৰ্মাই। শৰ্মাৰ ঘনিষ্ঠ সূত্ৰৰ মতে হাজাৰ কোটি টকা তেওঁ অসমৰ পৰা নি ঝাৰখণ্ডৰ নিৰ্বাচনী প্ৰচাৰত ব্যয় কৰিছিল। প্ৰায়সমূহ নিৰ্বাচনী সভালৈ যাওতে চাৰ্টাৰ্ড বিমান ব্যৱহাৰ কৰি হিমন্ত বিশ্ব শৰ্মাই এক অভিলেখো ৰচনা কৰিছিল। অসমৰ দৰে বিত্তীয় বিশৃংখল ৰাজ্যখনৰ লোকক প্ৰায় ডেৰলাখ কোটি ঋণত ডুবাই এইজন মুখ্যমন্ত্ৰীয়ে দীঘলীয়া সময় ঝাৰখণ্ডত প্ৰচাৰ চলাইছিল যদিও ৮১খন আসনৰ ভিতৰত মাত্ৰ ২১খন বিভানসভাৰ আসনহে হিমন্ত বিশ্ব শৰ্মাই বিজেপিক দিয়াব পাৰিলে। অকল সেয়াই নহয়, নেডাৰ আহ্বায়ক হিচাপে অসমক বাদ দি উত্তৰ-পূৰ্বাঞ্চলৰ উপ-নিৰ্বাচনত ভাল ফল দেখুৱাব নোৱাৰিলে এইজন অখণ্ড প্ৰতাপী নেতাই। যোৱা লোকসভা নিৰ্বাচনত পশ্চিমবংগত ষ্টাৰ কেম্পেইনাৰ আছিল হিমন্ত বিশ্ব শৰ্মা। বিভিন্ন ধৰণৰ সাম্প্ৰদায়িক কথা-বতৰাৰে ধৰ্মক ৰাজনীতিত প্ৰত্যক্ষভাৱে ব্যৱহাৰ কৰি নিৰ্বাচন চলোৱা হিমন্ত বিশ্ব শৰ্মাই পশ্চিমবংগতো মুখথেকেচা খাইছিল। তাৰ পূৰ্বে দিল্লী, কৰ্ণাটক আৰু তেলেংগানাত সাম্প্ৰদায়িক বক্তৃতা দিবৰ বাবে হিমন্ত বিশ্ব শৰ্মাক হায়াৰ কৰি নিয়া হৈছিল। কিন্তু ৰিজাল্ট কি হ’ল সেয়া ৰাইজে ভালকৈ জানে। ৰাজনৈতিক মহলত এতিয়া ৰাষ্ট্ৰীয় ৰাজনীতিত ভস্মাসুৰ উপাধি লাভ কৰিছে এইজন হিমন্ত বিশ্ব শৰ্মাই। ২০২৬ চনৰ নিৰ্বাচনত কাৰোবাক শিখণ্ডী কৰি এইজন নেতাই বিজেপিক পুনৰ ক্ষমতাত বহাবলৈ চেষ্টা চলাব যদিও ৰাষ্ট্ৰীয় পৰ্যায়ত এতিয়া বদনামী নেতা হৈ পৰিল হিমন্ত বিশ্ব। এনে পৰিপ্ৰেক্ষিতত এইবাৰ হিমন্তক কোন ৰাজ্যৰ প্ৰচাৰৰ দায়িত্ব দিয়ে সেয়া হব লক্ষণীয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মঙলদৈত ভয়ংকৰ কাণ্ড

সূত্ৰধাৰ নামৰ যুৱকে যুৱতীগৰাকীৰ পৰিয়ালৰ তিনি সদস্যক হত্যা কৰি নিজেও আত্মহত্যা কৰাৰ অভিযোগে ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰি থকাৰ সময়তে দৰং জিলাৰ মঙলদৈত প্ৰেমিকক বৰ্বৰভাৱে প্ৰহাৰ কৰাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰেমত পৰাটোৱে অপৰাধ হ’ল মঙলদৈৰ মোৱামাৰীৰ যুৱকৰ। মোৱামাৰীত যুৱতীৰ পৰিয়ালে যুৱকজনক বৰ্বৰভাৱে প্ৰহাৰ কৰে। সুদীপ মণ্ডল নামৰ যুৱকজনক প্ৰেমিকাৰ পৰিয়ালে হাত ভৰি ভাঙি পংগু কৰি দিয়াৰ অভিযোগ উঠিছে। সুদীপ মণ্ডলে ভালপোৱা ছোৱালীজনীৰ পিতৃ অধৰ মণ্ডল, খুড়াক ফালু মণ্ডল, জ্যেষ্ঠ ভাতৃ দেৱজিত মণ্ডলে প্ৰহাৰ কৰে সুদীপ মণ্ডলক। তিনি-চাৰিজন পুৰুষে ধৰি নখ পৰ্যন্ত এৰুৱাই দিয়ে সুদীপৰ। প্ৰাণবায়ু উৰি যাবলৈ খোজাত এটুপি পানী খাব খুজিছিল যদিও সুদীপৰ মুখত প্ৰস্ৰাৱ কৰি দিয়াৰ অভিযোগ উঠিছে। মঙলদৈ চহৰৰ সমীপৱৰ্তী মোৱামাৰী গাঁৱৰ অধৰ মণ্ডলৰ কন্যাৰ প্ৰেমত পৰিছিল সুদীপ মণ্ডল। ইজনে-সিজনক ভাল পাইছিল। সুযোগ বুজি ঘৰত কোনো নথকাত প্ৰেমিকাই সুদীপক ঘৰলৈ মাতে। ফোন কৰি প্ৰেমিকক ঘৰলৈ মাতি নি পৰিয়ালক গতাই দিয়ে। প্ৰেমিকাৰ ঘৰত উপস্থিত হোৱাৰ পিছতে সুদীপক পঘাৰে বান্ধি লয়। একপক্ষীয় প্ৰেম কৰাৰ অভিযোগ তুলি প্ৰহাৰ কৰিবলৈ আৰম্ভ কৰে। লেবেজান হোৱাৰ পিছতে মুকলি কৰি দিয়াত দীৰ্ঘসময়ৰ মূৰকত চেতনা ঘূৰাই পোৱাত পৰিয়ালে সেই খবৰ লাভ কৰাত সুদীপক উদ্ধাৰ কৰি মঙলদৈৰ ব্যক্তিগত হাস্পতালত ভৰ্তি কৰায়। সুদীপৰ পৰিয়ালে হত্যাৰ প্ৰয়াস কৰাত প্ৰেমিকাৰ পৰিয়ালৰ বিৰুদ্ধে মঙলদৈ সদৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰে। কিন্তু আৰক্ষীয়ে দিয়া নাছিল কোনো গুৰুত্ব। যেতিয়া ৰাইজে আহি আৰক্ষীৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিলে তেতিয়া প্ৰেমিকাৰ পিতৃ অধৰ মণ্ডল, ককায়েক দেৱজিত মণ্ডল আৰু খুড়াক ফালু মণ্ডলক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। সুদীপ মণ্ডল নিৰ্যাতন চলোৱা পৰিয়ালটোৰ মুৰব্বী অধৰ মণ্ডল গাঁওৰক্ষী বাহিনীৰ সদস্য। প্ৰেমৰ নামত সংঘটিত হোৱা এনেধৰণৰ ঘটনাই সৰ্বত্ৰে উদ্বেগৰ সৃষ্টি কৰা দেখা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৮ নৱেম্বৰত ছোৰেনৰ শপত

মুখ্যমন্ত্ৰীৰ আসনত বহিবলৈ সাজু হৈছে হেমন্ত ছোৰেন। জানিব পৰা মতে, অহা ২৮ নৱেম্বৰত ঝাৰখণ্ডৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব হেমন্ত ছোৰেনে। উল্লেখ্য যে, সদ্যঘোষিত নিৰ্বাচনী ফলাফলত ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতৃত্বাধীন মিত্ৰজোঁটে ৰাজ্যখনৰ ৮১খন আসনৰ ভিতৰত ৫৬ খন আসন লাভ কৰি নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হয়। ইফালে, এই নিৰ্বাচনৰ ফলাফলৰ পিছতে ছোৰেনক চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে ৰাজ্যপাল সন্তোষ গংগৱাৰে। ৰাঁচীৰ মোৰহাবাদী ময়দানত শপতগ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ’ব বুলি জানিব পৰা গৈছে। সূত্ৰ অনুসৰি মমতা বেনাৰ্জী, ৰাহুল গান্ধী, অখিলেশ যাদৱ, অৰবিন্দ কেজৰিৱাল, তেজস্বী যাদৱকে ধৰি বিৰোধী শিবিৰৰ অন্যান্য ৰাষ্ট্ৰীয় নেতাসকলেও এই অনুষ্ঠানত উপস্থিত থাকিব পাৰে। মন কৰিবলগীয়া যে, ২০২৪ চনৰ আৰম্ভণিতে ভূমি কেলেংকাৰীৰ গোচৰত ইডিৰ তদন্তৰ সন্মুখীন হৈ মুখ্যমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল হেমন্ত ছ’ৰেনে। একেটা গোচৰত গ্ৰেপ্তাৰ হৈ কাৰাবাসো খাটিবলগীয়া হৈছিল হেমন্ত ছ’ৰেনে। কিন্তু কাৰাগাৰৰ পৰা ওলাই অহাৰ পিছতে ৰাজ্যৰ ক্ষমতাৰ বাঘজৰীডাল পুনৰ তেওঁ নিজৰ হাতত লয় আৰু এতিয়া দ্বিতীয়টো কাৰ্যকালৰ বাবেও তেওঁ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হৈ থকাটো নিশ্চিত হৈ পৰিছে। একে সময়তে এই জয়েৰে ঝাৰখণ্ডত নিজৰ শক্তিশালী স্থিতি অক্ষুণ্ণ ৰাখিছে ইণ্ডিয়া ব্লকেও। শেহতীয়া নিৰ্বাচনৰ ফলাফল অনুসৰি ৰাজ্যখনত শাসকীয় জে এম এময়ে ৩৪খন, কংগ্ৰেছে ১৬খন, আৰজেডিয়ে ৪খন আৰু চিপিআই(এমএল)ৰ ২খন আসন লাভ কৰে। আনহাতে এন ডি এ মিত্ৰজোঁটে ২৪খন আসন লাভ কৰে। নিৰ্বাচনত বিজেপিয়ে ২১খন আসন লাভ কৰাৰ বিপৰীতে আজছু, জেডিইউ, পিএছপিয়ে এখনকৈ আসন লাভ কৰে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জন্মস্থান শুকতি আলিত মহাবীৰ লাচিতক

দিৱস। স্বদেশ আৰু স্বজাতিৰ বাবে বীৰত্বৰে যুঁজ দি চিৰকাললৈ আদৰ্শ দেখুৱাই যোৱা মহান অসমীয়া বীৰ লাচিত বৰফুকনক আজি শিৱসাগৰতো শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। শিৱসাগৰত পুৱাৰে পৰা ভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয় লাচিত দিৱস। ৪০২ সংখ্যক জন্মজয়ন্তীত আজি পুৱাই শিৱসাগৰ ৰংপুৰ আঞ্চলিক প্ৰাচীন কীৰ্তিচিহ্ন সংৰক্ষণ সমিতিয়ে চহৰৰ মাজমজিয়াত থকা লাচিত উদ্যানত শ্ৰদ্ধাৰে স্মৰণ কৰে বীৰগৰাকীক। সমিতিৰ বিষয়ববীয়াসকলে বীৰ লাচিত বৰফুকুনৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পণ তথা বন্তি প্ৰজ্বলন কৰাৰ উপৰিও তাই আহোম জনগোষ্ঠীয় ৰীতি-নীতিৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। লাচিত উদ্যানৰ চৌহদত বামফি পূজা কৰি স্মৰণ কৰা হয় বীৰ লাচিত বৰফুকনক। এই অনুষ্ঠানত উপস্থিত থাকি সমিতিৰ হৈ জ্যেষ্ঠ সাংবাদিক, সমাজকৰ্মী মনোজ গগৈয়ে কয়, "বীৰ লাচিত বৰফুকনে অসম দেশ ৰক্ষাৰ বাবে যি কষ্ট, ত্যাগ স্বীকাৰ কৰিছিল সেয়া বিশ্বতে বিৰল। বিদেশী শক্তিক যি কৌশল, শক্তি, বীৰত্বৰে পৰাভূত কৰি স্বদেশ ৰক্ষা কৰিছিল সেয়া সঁচাকৈয়ে অতুলনীয়। এইগৰাকী মহান বীৰৰ আদৰ্শৰে অসমীয়া জাতি আগবাঢ়ি যাব লাগিব। তেতিয়াহে জাতি ৰক্ষা পৰিব।" তেওঁ লগতে লাচিত দিৱসে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা এনাজৰীডাল অধিক শক্তিশালী কৰিব বুলিও আশা প্ৰকাশ কৰে। আনহাতে, লাচিত বৰফুকনৰ জন্মস্থান শিৱসাগৰ হাঁহচৰা শুকতি আলিতো ভিন্ন কাৰ্যসূচীৰে উদযাপন কৰা হয় লাচিত দিৱস। 'লাচিত বৰফুকনৰ জন্মস্থান সংৰক্ষণ সমিতিৰ উদ্যোগত তথা ৰাইজৰ সহযোগত 'শুকতি আলি'ত এদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰা হয় লাচিত দিৱস। অনুষ্ঠানত পতাকা উত্তোলন কৰাৰ লগতে বীৰ গৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিশিষ্ট ব্যক্তিসকলে। পুৱা পৰিৱেশ নিকাকৰণৰ দ্বাৰা এই কাৰ্যসূচীৰ পাতনি মেলা হয়। পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি ব্ৰজেন ফুকনে। কাৰ্যসূচীৰ অংশ হিচাপে লাচিতৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ আৰু মাল্যাৰ্পণ কৰে সমিতিৰ সম্পাদক ৰঞ্জিত মেছে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ, কবিতা আবৃত্তি আদি প্ৰতিযোগিতাৰ লগতে মুকলি সভা আদিৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে ২০২৩ চনত বুৰঞ্জীবিদ পদ্মশ্ৰী যোগেন্দ্ৰ নাথ ফুকনে শুকতি আলিৰ লাচিত ঢাপ পৰিদৰ্শন কৰি বুৰঞ্জীৰ সূত্ৰ ধৰি শুকতি আলি মহাবীৰ লাচিতৰ জন্মস্থান বুলি থাৱৰ কৰিছিল। লাচিতৰ জন্ম স্থান নিশ্চিত হোৱাৰ পূৰ্বৰে পৰা এৰা-ধৰাকৈ ১৯৮৬ চনৰ পৰা শুকতি আলিত লাচিত দিৱসৰ অনুষ্ঠানৰ আয়োজন কৰি অহা হৈছিল যদিও ২০২২ চনৰ পৰা ইয়াত ধাৰাবাহিকভাৱে এই দিৱস উদযাপন কৰি অহা হৈছে। আনহাতে শুকতি আলিত ২০২২ বৰ্যত শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত লাচিত বৰফুকনৰ ৪০০ বছৰীয়া জন্ম-জয়ন্তী উৎসৱো উদযাপন কৰা হৈছিল। ইয়াৰ উপৰিও বীৰ লাচিত সেনাৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে শিৱসাগৰ কেপিএম হলৰ চৌহদত উদযাপন কৰা হয় লাচিত দিৱস। এই উপলক্ষ্যে চহৰখনত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। ইফালে, লাচিত দিৱসৰ দিনটোতে বীৰ লাচিত বৰফুকনলৈ বিতৰ্কিত মন্তব্য আগচাইছে হিন্দু জাগৰণ, অসম নামৰ এটা সংগঠনৰ নেতৃবৃন্দই। চৌদিশে লাচিত দিৱসত বীৰ লাচিত বৰফুকনৰ বীৰত্ব, গুণ-গৰিমাৰ চৰ্চা চলি থকাৰ মাজতে শিৱসাগৰ বৰ্ডিং খেলপথাৰত হিন্দু জাগৰণ, অসম নামৰ এটা সংগঠনে লাচিত দিৱস উদযাপন কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে বীৰ লাচিত সেনাৰ শৃংখল চলিহাই। বীৰ লাচিত বৰফুকনক হিন্দু বীৰ সজাবলৈ উঠি পৰি লগা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি শৃংখল চলিহাই কয়, "বীৰ লাচিত বৰফুকন অসমীয়া বীৰ, খিলঞ্জীয়াৰ বীৰ। বীৰ লাচিত বৰফুকন ধৰ্মৰ উৰ্ধত। বীৰ লাচিত বৰফুকনক লৈ কোনোবাই হিন্দু-মুছলমান কৰা কাৰ্যক আমি ধিক্কাৰ দিছো। এনে কাৰ্যৰ পৰা বিৰত থাকক। বীৰ লাচিত বৰফুকনক হিন্দু বীৰ সজোৱাৰ পৰা বিৰত থাকক।" আনহাতে শৃংখল চলিহাৰ এই সকিয়নীৰ প্ৰত্যুত্তৰ দিবলৈ গৈ অধিক বিতৰ্কিত মন্তব্য কৰে হিন্দু জাগৰণ, অসমৰ বিষয়ববীয়াই। শৃংখল চলিহা সন্দৰ্ভত হিন্দু জাগৰণ, অসমৰ বিষয়ববীয়াই কয়, "তেওঁলোকৰ চিন্তাধাৰা বেলেগ, আমাৰ চিন্তাধাৰা বেলেগ। সকলো হিন্দু সমাজকে আমি একত্ৰিত কৰি ভাৰতবৰ্ষত ভাল পদক্ষেপ ল'ব বিচাৰিছো। লাচিত বৰফুকন যে হিন্দু বীৰ সকলোৱে জানে। তেখেতক ভাৰতবৰ্ষত এটা পৰিচয় দিবলৈ গৈ আছে। আমি নহয়, তেওঁলোক এটা সময়ত নিজেই যাব তেনে পৰিৱেশলৈ।" ইফালে, বীৰ লাচিত বৰফুকনক এনেদৰে হিন্দু বীৰ সজাবলৈ চেষ্টা কৰা কাৰ্যক সহজভাৱে ল'ব পৰা নাই খিলঞ্জীয়া জাতীয়-জনগোষ্ঠীয় সংগঠনসমূহে। ভিন্ন দল-সংগঠনে লাচিৰ ইতিহাস বিকৃত নকৰিবলৈকো সময়ে সময়ে সকীয়াই দি আহিছে।

# বানেশ্বৰ দেৱশৰ্মা ৰাজ্যিক শিক্ষক বঁটা প্ৰদান অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, ৰঙিয়া, ২৪ নৱেম্বৰঃ** ৰঙিয়াৰ বিশিষ্ট সংস্কৃত পণ্ডিত বানেশ্বৰ দেৱশৰ্মাৰ সোঁৱৰণত সামাজিক-সাংস্কৃতিক অনুষ্ঠান সংগীত গ্ৰুপ অব্ ক্ৰিয়েচনৰ উদ্যোগত আজি 'প্ৰয়াত বানেশ্বৰ দেৱশৰ্মা ৰাজ্যিক শিক্ষক বঁটা' শীৰ্ষক ষষ্ঠ বাৰ্ষিক বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত কৰা হয়। ৰঙিয়াৰ হৰদত্ত বীৰদত্ত ভৱন প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰা বিশেষ অনুষ্ঠানটোৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মধ্য পাণ্ডুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পাৰ্থ প্ৰতিম ডেকাই। ইয়াৰ পিছতে শ্ৰদ্ধাঞ্জলি জনাই প্ৰয়াত শিক্ষাবিদগৰাকীৰ পত্নী জয়মতী দেৱী আৰু সমাজকৰ্মী দেৱ সাহাই। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত স্থানীয় বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতা, দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ পৰেশ বৈশ্যৰ উপস্থিতিত নলবাৰীৰ সাংবাদিক তথা শান্তি নিৱাস বৃদ্ধাশ্ৰমৰ পৰিচালক মজিবুৰ ৰহমানক "মানৱ দৰদী বঁটা" প্ৰদান কৰা হয়। বঁটা প্ৰদান অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি জাভেদ জামান, সম্পাদক পংকজ পল্লৱ শৰ্মাই সামগ্ৰীক পৰিচালনা কৰা আৰু সহকাৰী সম্পাদক জ্যোতিৰ্ময় শৰ্মা আৰু চাকিল আহমেদে সহযোগিতা আগবঢ়োৱা অনুষ্ঠানটোত প্ৰয়াত বাণেশ্বৰ দেৱ শৰ্মা জীৱন যোৱা সাধনা বঁটা গ্ৰহণ কৰা বিশিষ্ট শিল্পী লোকনাথ গোস্বামীয়ে কথা আৰু গীতেৰে উপস্থিত ৰাইজক সন্মোহিত কৰে। এটাৰ পিছত আন এটাকৈ গীতেৰে উপস্থিত ৰাইজক আপ্লুত কৰি তোলে প্ৰসিদ্ধ শিল্পী গৰাকীয়ে। সাপ্তাহিক গণতন্ত্ৰ কাকতৰ সম্পাদক চম্পক কলিতা,নলবাৰীৰ দুই জ্যেষ্ঠ সাংবাদিক কমলেশ শৰ্মা, এম মহিবৰ ৰহমান, শিক্ষা বিষয়া মইনুল হ'ক প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থকা অনুষ্ঠানটোত জগন্নাথ ভূঞাক ৰাজ্যিক কৃতি শিক্ষকৰ বটা, নৰ্থ ইষ্ট কেঞ্চাৰ হস্পিতালৰ অধ্যক্ষ গণেশ তামুলীক গণ হিতৈষী, বিশিষ্ট লেখিকা, উপন্যাসিকা মণিকুন্তলা ভট্টাচাৰ্যক সু-অনি বটাৰ লগতে শিক্ষাবিদ ভুপেন দাস, বিশিষ্ট নাট্যকাৰ ধীৰেন বৰ্মন, ক্ৰীড়া সংগঠক আব্দুল মজিদ, গোপাল জালান, মবিদুল ইছলাম, সমাজ সংগঠক আলাউদ্দিন আহমেদ, অধ্যাপক তানজিনট ইছলাম, ডাঃ চক্ৰধৰ বৰ্মনকে ধৰি বিভিন্ন ক্ষেত্ৰত জড়িত আন কেবাজনকো বিশেষ বঁটাৰে সন্মানিত কৰা হয়। ইফালে প্ৰয়াত বাণেশ্বৰ দেৱ শৰ্মা সোঁৱৰণি ৰাজ্যিক ৰচনা প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ কটন বিশ্ববিদ্যালয়ৰ কাঞ্চিতা শৰ্মা আৰু দ্বিতীয় শ্ৰেষ্ঠ বিজয়ী দ্বাৰকুছি জাতীয় বিদ্যালয়ৰ মৰিয়মক পুৰস্কৃত কৰা হয়। একেখন মঞ্চতে পংকজ পল্লৱ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'দৈষ্টিক'ৰ উন্মোচন কৰে এমন্ত্ৰণৰ উপ-প্ৰৱন্ধক তথা সংস্কৃতিৰ দাপোন কাকতৰ মুখ্য সম্পাদক দিনমনি ভাগুৱাৰ কায়স্থই। আয়োজক সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক ভবেশ কলিতাৰ উপস্থিতিত ৰূপায়িত কাৰ্যসূচীত মুখ্য অতিথিৰূপে বিশিষ্ট শিক্ষাবিদ পৰেশ চন্দ্ৰ বৈশ্যই অংশগ্ৰহণ কৰে। ইফালে অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ৰ ছাত্ৰী জাকিয়া আলফুলক শিশু প্ৰতিভা বঁটা প্ৰদানৰ লগতে আন কেবাগৰাকী বিশিষ্ট ব্যক্তিক জীৱনযোৱা কৃতিত্বৰ স্বীকৃতিস্বৰূপে বঁটা আগবঢ়োৱা হয়। সংগীত-নৃত্যৰে জীপাল হৈ পৰা অনুষ্ঠানটোত অসম সাহিত্য সভাৰ মাতৃভাষা-ৰাজ্যভাষা প্ৰয়োগ সমিতিৰ আহ্বায়ক হেমন্ত কলিতা, কামৰূপ জিলা সাংবাদিক সন্থাৰ সম্পাদক তৰণী চৰণ কলিতা, শিক্ষক মুনীন্দ্ৰ ডেকা, অধ্যক্ষ বিপুল কলিতা, ৰহুল আলী, উজ্জ্বল ডেকা, মুকুল ভূঞা, জয়ন্ত কুমাৰ শৰ্মা, অভিনেতা হৰিশ তালুকদাৰ প্ৰমুখ্যে ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকি অনুষ্ঠানটো সফল কৰি তোলে।

গৌৰৱৰ বাতৰিক লৈ আপত্তি

# সংবাদমাধ্যমক পুনৰ নীতি শিক্ষা প্ৰদান মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, গুৱাহাটী, ২৪ নবেম্বৰঃ** অসমৰ বিৰোধীৰ দলসমূহৰ নেতাসকলৰ ভিতৰত গৌৰৱ গগৈক মুখ্য প্ৰতিদ্বন্দ্বি বুলি ভাবে নেকি বিজেপিৰ নেতাসকলে? এই কথা চৰ্চা হ'বলৈ আৰম্ভ কৰিছে। ৫ সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছৰে পৰা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱাকে ধৰি বিভিন্ন নেতাই গৌৰৱ গগৈকহে টাৰ্গেট কৰি লোৱা দেখা গৈছে। সংবাদমাধ্যমেও গৌৰৱ গগৈক গুৰুত্ব দিয়া বুলি অভিযোগ আনিছে মুখ্যমন্ত্ৰীয়ে। "অসমৰ সংবাদমাধ্যমে কেৱল বিহালী সমষ্টিকহে গুৰুত্ব দিলে। আন চাৰিটা সমষ্টিত পক্ষপাতমূলক আচৰণ কৰিলে সংবাদমাধ্যমে। ৰাজ পুত্ৰই প্ৰচাৰ চলোৱাৰ বাবে সংবাদমাদ্যমে বিহালীক গুৰুত্ব দিলে।" অসমৰ সংবাদমাধ্যমৰ বিৰুদ্ধে এই অভিযোগ উত্থাপন কৰিছে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই। আজি গুৱাহাটীত সংবাদমেল সম্বোধন কৰি গৌৰৱ গগৈক এনেদৰে আক্ৰমণৰ লক্ষ্য কৰি লয়। কালি নিশা মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভ আহি গৌৰৱ গগৈক সামন্তবাদী আৰু ৰাজ সন্তান বুলি কটুক্তি কৰিছিল। বিহালীৰ বিজেপি প্ৰাৰ্থী দিগন্ত ঘাটোৱাল চাহ বাগিচাৰ এজন চকীদাৰৰ সন্তান আৰু চকীদাৰৰ সন্তানক হৰুৱাবৰ বাবে ৰাজ সন্তানে দুই-তিনি মাহ শিবিৰ কৰিলে বুলি আক্ৰমণ কৰাৰ লগতে আজি পুনৰ গৌৰৱ গগৈকে আক্ৰমণ কৰে। জনতা ভৱনত সংবাদমেল পাতি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যোৰহাটৰ সাংসদ তথা লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে বিৰোধীৰ আন নেতাক বিহালীৰ ধাবালৈ বিৰোধীক আলোচনাৰ বাবে আমন্ত্ৰণ জনোৱাত সমালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে গৌৰৱ গগৈৰ মানসিকতাক লৈ প্ৰশ্ন উত্থাপন কৰি অপমান কৰাৰো এটা লেভেল আছে বুলি কয়। ৰজাৰ পুতেকেহে এনে কথা ক'ব পাৰে বুলি কৈ কয় যে সাধাৰণ ঘৰৰ ল'ৰাই নোৱাৰে যে বিহালীৰ ধাবাত আহি পলিটিকেল ডিচকাচ কৰক। ৰজাৰ ল'ৰাই এইটো কথা ক'ব পাৰিব। ৰজাৰ মানসিকতা থকা লোকেহে এনে কথা ক'ব পাৰে। আমাৰতো এনে কথা জীৱনতো মুখেৰে নোলায়। ইপিনে সাংবাদিকক আকৌ এবাৰ নীতি শিক্ষা দি সাধাৰণ পৰিয়ালৰ নেতাবোৰক ফ'কাচ কৰাৰ আহ্বান জনায়। যি পাৰ্টীৰেই নহওক অখিল গগৈ, লুৰীণ গগৈ, ভূপেন বৰাক সাধাৰণ পৰিয়ালৰ পৰা অহা বুলি কৈ এওঁলোকক ফ'কাচ কৰক বুলি কয় মুখ্যমন্ত্ৰীয়ে। ইপিনে মুখ্যমন্ত্ৰীয়ে নতুন বছৰৰ আৰম্ভণিতে ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত অসমত এডভান্টেছ আসাম-২.০ অনুষ্ঠিত হোৱাৰ ঘোষণা কৰিছে। এডভান্টেছ আসাম মুকলি কৰিব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপস্থিত থাকিব বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ।

# 'সদৌ অসম সত্ৰ মহাসভা'ক বৰ্জনৰ আহবান সত্ৰ মহাসভাৰ

## বিভ্ৰান্তি সৃষ্টি কৰাৰ অভিযোগ পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ

**ই-সংবাদ, বেবেজীয়া, ২৪ নবেম্বৰঃ** অসমীয়া কলা-কৃষ্টি-সংস্কৃতিৰ জনক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ সৃষ্টিৰাজিক প্ৰচাৰ আৰু প্ৰসাৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহন কৰি অহা তথা এক বৰ্ণিল পৰিক্ৰমাৰে এশ দহ বছৰ অতিক্ৰম কৰা অসমৰ এক অন্যতম জাতীয় সংগঠন হল অসম সত্ৰ মহাসভা। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ মাজত গুৰুজনাৰ সৃষ্ট কলা, কৃষ্টি, সংস্কৃতিৰ লগতে এক শৰণ নাম ধৰ্ম প্ৰচাৰ কৰি সকলোকে গুৰুজনে দেখুৱাই যোৱা আৰ্দশৰে একতাৰ দোলেৰে বান্ধি ৰখাৰ প্ৰয়াসে অহৰ্নিশে কাম-কাজ ৰূপায়ণ কৰি আহিছে। পিছে বিগত সময়ছোৱাত এক দুষ্টচক্ৰই 'অসম সত্ৰ মহাসভা' নামৰ এই অৰাজনৈতিক জাতীয় সংগঠনটোক দ্বিখণ্ডিত কৰিব বিছাৰি অভিসন্ধিত লিপ্ত হৈছে। আনকি এই সুবিধাবাদী চক্ৰটোৰ নিজ স্বাৰ্থ পূৰণ সিদ্ধি নোহোৱাত শেহতীয়াভাবে দুষ্ট চক্ৰটোৱে 'অসম সত্ৰ মহাসভা' জাতীয় সংগঠনটোৰ নামৰ আগত উদ্দেশ্য প্ৰণোদিতভাবে 'সদৌ' শব্দটো ব্যৱহাৰ কৰি এটা নতুন সংগঠন জন্ম দি অসমৰ সাধাৰণ ধৰ্মপ্ৰাণ ৰাইজৰ মাজত এক বিভ্ৰান্তি সৃষ্টি কৰিব বিচাৰিছে। এই অভিযোগ অসম সত্ৰ মহাসভাৰ অন্তৰ্গত পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাৰ। এক বিবৃতিৰ জৰিয়তে এই অভিযোগ উত্থাপন কৰি পশ্চিম নগাঁও জিলা সত্ৰ মহাসভাই জিলাখনৰ অন্তৰ্ভুক্ত প্ৰতিখন সত্ৰকে 'সদৌ অসম সত্ৰ মহাসভা' নামৰ তথাকথিত সংগঠনটোৰ পৰা আঁতৰত থাকিবলৈ আহবান জনাইছে। তদুপৰি নতুন সংগঠনটোৰ বিষয়-ববীয়াৰ কোনো কথাতে আৰু প্ৰৰোচনাত ভোল নাযাবলৈ জিলাখনৰ সকলো সত্ৰৰ সত্ৰাধিকাৰ, সত্ৰ পৰিচালনা সমিতি আৰু সত্ৰানুৰাগী ভকত-বৈষ্ণৱক জিলা সমিতিখনে আহবান জনাইছে।




লাচিত দিৱসৰ সৈতে সংগতি ৰাখি বিশ্বনাথত যুৱ-ছাত্ৰ পৰিষদৰ ৰক্তদান শিবিৰ, ফটোঃ ই-সংবাদ, বিশ্বনাথ

# কলগাছিয়াৰ চিকাটাৰি প্ৰাথমিক বিদ্যালয়ত ব্যাপক অনিয়ম

**ই-সংবাদ, কলগাছিয়া ২৪ নবেম্বৰঃ** বৰপেটা জিলাৰ মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত ৭৬৮ নং চিকাটাৰি প্ৰাথমিক বিদ্যালয়ত ব্যাপক অনিয়ম আৰু দুৰ্নীতিৰ অভিযোগ। বিদ্যালয়খনৰ প্ৰধান শিক্ষক সালেহ মহম্মদ মজনু আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হানিফ উদ্দিনে বিদ্যালয়ৰ আন্তঃ গাথনি আৰু মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি কৰি আহিছে ব্যাপক অনিয়ম আৰু দুৰ্নীতি। জানিব পৰা মতে অসম শিক্ষা বিভাগে ২০২৩-২৪ বৰ্ষৰ ৭৬৮ নং চিকাটাৰি প্ৰাথমিক বিদ্যালয়ত দুটা শ্ৰেণীকোঠা নিৰ্মাণৰ বাবে ৭ লাখ ৫০ হাজাৰ টকা অনুমোদন দিছিল। উক্ত কামত অতি নিম্ন মানৰ সামগ্ৰীৰে ব্যাপক অনিয়ম আৰু দুৰ্নীতি সংঘটিত কৰি শ্ৰেণী কোঠা নিৰ্মাণ কৰিছে যদিও কাম সম্পূৰ্ণ নহওঁতেই পাঠদান আৰম্ভ হৈছে উক্ত শ্ৰেণীকোঠাত। শ্ৰেণী কোঠা নিৰ্মাণত ৰাহি থকা ইটা সমূহ বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিয়ে বেলেগ ঠাইত দান কৰি দিয়াৰ লগতে বাকী ইটা বিদ্যালয়ৰ পৰা প্ৰধান শিক্ষকে গোপনে নিজৰ ঘৰত লৈ যোৱাৰ ভয়ংকৰ অভিযোগ উত্থাপন কৰিছে বিদ্যালয় পৰিচালনা সমিতিৰ বাকী সদস্য সকলে। ইয়াৰোপৰি বিদ্যালয়ৰ এটি পুৰণি গৃহ প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ সভাপতিয়ে বিক্ৰী কৰি দিয়াৰ অভিযোগ উত্থাপন হৈছে। এইখন বিদ্যালয়ত প্ৰধান শিক্ষক গৰাকীয়ে মধ্যাহ্ন ভোজনৰ ক্ষেত্ৰতো কৰিছে ব্যাপক খেলি মেলি। মাজে সময়ে মধ্যাহ্ন ভোজনৰ খাদ্য নিদিয়াৰ লগতে এটা কণী দুজনক ভগাই দিয়াৰো আছে ন ন অভিযোগ। এই ক্ষেত্ৰত সাংবাদিকে প্ৰধান শিক্ষকৰ ওচৰত মন্তব্য খোজাত প্ৰধান শিক্ষকে মন্তব্য দিয়াৰ পৰা বিৰত থাকে। ইতিমধ্যে বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সকলে প্ৰধান শিক্ষক সালেহ মহম্মদ মজনু আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হনিফ উদ্দিনৰ দুৰ্নীতিৰ বিৰুদ্ধে বৰপেটা জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন লিখিত অভিযোগ দাখিল কৰাৰ লগতে বৰপেটা আৰক্ষী অধীক্ষকৰ ওচৰত এখন এজাহৰ দাখিল কৰে। লগতে দুৰ্নীতিৰ লগত জড়িত থকা দোষীক অতি শীঘ্ৰেই তদন্তৰ জৰিয়তে কঠোৰ শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে অভিযোগকাৰীয়ে।

# স্বাধীনতা দিৱস কাপ ফুটবল আৰম্ভ
# উদ্বোধনী খেলত অম্লান গোষ্ঠী জয়ী



**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৪ নৱেম্বৰঃ** উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে অন্যতম পুৰণি ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাখনি আজিৰ পৰা নগাঁৱৰ নুৰুল আমিন ষ্টেডিয়ামত আৰম্ভ হৈছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ উদ্বোধনী খেলত নগাঁও প্ৰথম ডিভিজন ফুটবল লীগৰ চেম্পিয়ন অম্লান গোষ্ঠীয়ে শিৱসাগৰৰ হালোৱাটিং ইউনাইটেড এফ চিক ২-০ গ'লত পৰাস্ত কৰে। বিৰতিলৈকে গ'লশূন্যভাৱে থকা তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ৪৮ মিনিটত ৰিনচিন কৰ্মা দৰ্জী আৰু ৬৭ মিনিটত অধিনায়ক মাধুৰ্য মাধৱ বৰাই অম্লান গোষ্ঠীৰ হৈ গ'ল দুটা স্ক'ৰ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰ, অ'হিদুজ জামান আৰু দিব্যজ্যোতি শৰ্মা ৰেফাৰী তত্বাৱধায়কৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী শৈলেন ভূএগ্ৰাক সহায় কৰে পবিত্ৰ বৰা, চুচাং আও আৰু নিৰ্মল ভটাচাৰ্যই। নগাঁও ক্ৰীড়া সংস্থাৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা প্ৰতিযোগিতাৰ আকৰ্ষণীয় উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন অধিনায়ক ভাস্কৰ গাংগুলী আৰু ছাবিৰ আলী সন্মানীয় অতিথিৰূপে, নগাঁও জিলাৰ আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু প্ৰাক্তন ফুটবলাৰ বিধান দাস বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি ভাষণ প্ৰদান কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাসেও ভাষণ আগবঢ়োৱা সেই অনুষ্ঠানতে নগাঁও জিলাৰ সোতৰগৰাকী প্ৰাক্তন খেলুৱৈক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। নগাঁও ক্ৰীড়া সংস্থাৰ যুটীয়া সম্পাদকদ্বয় উজ্জল বৰুৱা আৰু অমিতাভ বৰা তথা ফুটবল শাখাৰ সম্পাদক প্ৰান্তৰ কুমাৰ ভট্টাচাৰ্যই জনোৱামতে, কাইলৈৰ খেলত নগাঁও প্ৰথম ডিভিজন ফুটবল লীগৰ ৰাণাৰ্ছ আপ ষ্টাৰ স্প'ৰ্টিং ক্লাবে মাজুলীৰ কাৰচাং এফচিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।



ছন্দ ঘূৰাই পালে কোহলিয়ে... অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থ টেষ্টৰ তৃতীয় দিনা শতক অৰ্জনৰ পিছৰ দৃশ্য

## ছন্দ ঘূৰাই পোৱা কোহলিয়ে পাৰ্থত উপহাৰ দিলে শতক

# তৃতীয় দিনা দিশহাৰা পেট কামিন্সৰ কেংগাৰু বাহনী

**পাৰ্থ, ২৪ নৱেম্বৰঃ** পাৰ্থ টেষ্টৰ তৃতীয় দিনা ভাৰতীয় দলটোৱে ঘৰুৱা মাটিত কেংগাৰু বাহিনীক দিশহাৰা কৰি তোলে। ডেৰ বছৰৰ পাছত শতকৰ মুখ দেখে বিৰাট কোহলীয়ে। নীতিশ ৰেড্ডীয়েও বেটেৰে উজলি উঠে। ছন্দ ঘূৰাই পোৱা কোহলিৰ শতকৰ জৰিয়তে ভাৰতে ৬ উইকেটৰ বিনিময়ত ৪৮৭ ৰান সংগ্ৰহ কৰি ইনিংছ ঘোষণা কৰে। দ্বিতীয় ইনিংছত বেটেৰে উজলি উঠাৰ পিছত ভাৰতীয় বলাৰসকলেও অষ্ট্ৰেলিয়াৰ সমুখত জুইৰ দৰে জ্বলি উঠে। ফলস্বৰূপে ৫৩৩ ৰানৰ লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়াই নিজৰ দ্বিতীয় ইনিংছত মাত্ৰ ১২ ৰানতে ৩টাকৈ গুৰুত্বপূৰ্ণ উইকেট হেৰুৱাবলগীয়াত পৰে। ভাৰতীয় ইনিংছত যশস্বী জয়ছোৱালেও শতকীয় বৰঙণি আগবঢ়াই ১৬১ ৰানত আউট হয়। কোহলিয়ে ১০০ ৰানত অপৰাজিত হৈ থাকে। অপেনাৰ কে এল ৰাহুলে আগবঢ়ায় অৰ্ধশতকীয় ৭৭ ৰাণৰ বৰঙণি। কোহলি শতকীয় ইনিংছত আছিল ৮টা চাৰি আৰু ২টা ছয়। এয়া তেওঁৰ ৩০ সংখ্যক টেষ্ট শতক আৰু আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ৮০ সংখ্যক শতক। অষ্ট্ৰেলিয়াই নিজৰ দ্বিতীয় ইনিংছত বেট হাতত লৈ ক্ৰিজত নামিয়েই বিপৰ্যৰ সন্মুখীন হয়। ভাৰতীয় বলাৰৰ বলিঙৰ জুই সহিব নোৱাৰি ড্ৰেছিং ৰুমলৈ উভতি আহিছে নাথান মেকছুইনী, মাৰ্নাছ লাবুশ্বেন আৰু অধিনায়ক পেট কামিন্স। মাত্ৰ ১ ৰান ব্যয় কৰি বুমৰাহে ২ উইকেট দখল কৰে। আনটো উইকেট লাভ কৰে ছিৰাজে। দিনান্তত ওছমান খাৱাজাই ৩ ৰানেৰে অপৰাজিত হৈ আছে। হাতত দুটা দিন আৰু ৭ টা উইকেট থকা অষ্ট্ৰেলিয়াক জয়ৰ বাবে এতিয়াও প্ৰয়োজন আৰু ৫২২ ৰানৰ।

# হাজোত মহিলাৰ আত্মৰক্ষাৰ কৰ্মশালা

**ই-সংবাদ, হাজো, ২৪ নৱেম্বৰঃ** কামৰূপ জিলাৰ হাজোৰ বহ্নিমান কাৰাটে একাডেমীত আজি সফলতাৰে সম্পন্ন হয় "মহিলাৰ আত্মাৰক্ষাৰ কৌশল" শীৰ্ষক এক কৰ্মশালা। হাজোৰ ভিন্ন প্ৰান্তৰ প্ৰায় অৰ্ধশতাধিক কিশোৰী-যুৱতীয়ে অংশগ্ৰহণ কৰা কৰ্মশালা মুকলি কৰি আন্তৰাষ্ট্ৰীয় পদকপ্ৰাপ্ত কাৰাটে খেলুৱৈ তথা ইউনিৰ্ভাচেল কাৰাটে ফেডাৰেশ্যনৰ মুৰব্বী দীপাংকৰ মজুমদাৰে কয়, সাম্প্ৰতিক সময়ত কিশোৰী- যুৱতী সকলে আত্মৰক্ষাৰ কৌশল জনাটো অতি আৱশ্যক হৈ পৰিছে। কিয়নো এগৰাকী যুৱতী বাটে-পথে এচাম দুষ্ট চক্ৰৰ দ্বাৰা শাৰিৰীক ভাৱে নিৰ্যাতনৰ বলি হ'বলগীয়া হোৱাৰ নজিৰ নথকা নহয়। তেনে সময়ত কিশোৰী-যুৱতীসকলে অনাকাংক্ষিত পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ মানসিক আৰু শাৰিৰীকভাৱে শক্তিশালী হ'ব পৰাকৈ সমৰকলা বিদ্যা আয়ত্ত কৰাটো অতি প্ৰয়োজনীয়। সমৰকলাৰ জৰিয়তে কিশোৰী-যুৱতী সকলে আত্মৰক্ষাৰ কৌশল আহৰণ কৰি দুষ্ট চক্ৰক দমন কৰি নিজে সুৰক্ষিত হৈ থাকিব পাৰিব বুলি মন্তব্য কৰে দীপাংকৰ মজুমদাৰে। "মহিলাৰ আত্মৰক্ষাৰ কৌশল" শীৰ্ষক এই কৰ্মশালাত দীপাংকৰ মজুমদাৰ, হিয়াশ্ৰী কলিতা, হৃষিতা দাস, হিমাংশু ৰাজ পাটোৱাৰী, ডেনিমৰাজ দাস, শ্যামল কলিতা, পৃথুৰাজ আৰু মনিষা দেৱীয়ে আত্মৰক্ষাৰ কৌশল কিশোৰী-যুৱতীসকলক প্ৰদৰ্শন কৰি উৎসাহিত কৰে।

# কমলপুৰৰ কাৰাটে গীল্ডৰ খেলুৱৈৰ সাফল্য

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৪ নৱেম্বৰঃ** কামৰূপ জিলাৰ কমলপুৰ কাৰাটে গ্ৰীল্ডৰ তিনিগৰাকী খেলুৱৈয়ে বিভিন্ন শাখাত অনুষ্ঠিত কাৰাটে প্ৰতিযোগিতাত তিনিটা সোণৰ পদক আজুৰি আনিবলৈ সক্ষম হৈছে। ১৯ নৱেম্বৰৰ পৰা ২৩ নৱেম্বৰলৈ নতুন দিল্লীৰ টাল কাটাৰা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা কিউ ফেডাৰেশ্বন কাপ কাৰাটে প্ৰতিযোগিতাত মেচ গীল্ডৰ তিনি গৰাকী খেলুৱৈ যথাক্ৰমে নৱজ্যোতি মেচে ব্যক্তিগত কাটাৰত সোণৰ পদক, ধীৰ কাশ্যপে ব্যক্তিগত শাখাত কাটা আৰু কুমিটেত দুটাকৈ সোণৰ পদক আৰু হৰচনিটা শৰ্মাই ব্যক্তিগত শাখাত সোণৰ পদক জয় কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰি